ISSN 2319-7366

# সংহতি

# SANGHATI

Vol.11, Issue-II, December, 2023
একাদশ বছৰ, দ্বিতীয় সংখ্যা, ডিচেম্বৰ-২০২৩

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক ছয়মহীয়া বহুভাষিক
গৱেষণা পত্রিকা

A Half Yearly Multilingual Research Journal
(Literature, Culture and Social Science)

মুখ্য সম্পাদক
ড° হৰ কুমাৰ নাথ

সম্পাদকমণ্ডলী
হিৰণ্য কুমাৰ নাথ
ড° ৰাতুল পাঠক
ড° মাধুৰ্য্যমণ্ডিত বৰুৱা

Chief Editor
Dr. Har Kumar Nath

Editors
Hiranya Kumar Nath
Dr. Ratul Pathak
Dr. Madhurjyya Mandit Baruah

## Editorial Board

**Research Advisors**

Dr Dinesh Baishya - Vice Chancellor, Krishnaguru Adhyatmik Visvavidyalaya, Nasatra, Barpeta, Assam

Dr. Umesh Deka - Former Prof., Assamese Department,GU & former Rabindra Nath Tagore Professor, MIL Dept., Gauhati University

Mr. Hiren Chandra Nath, - IPS, Addl. Director General of Police Special Branch, Security, STF & CMS SVC, Assam

Dr. Upen Rabha Hakacham - Prof. Assamese Dept, Gauhati University.

Dr. Hiranya Kr. Nath - Prof. Dept. Economics & International Business, Sam Houston State University USA.

Dr. Prafulla Kr. Nath - Prof., Assamese Dept. Guwahati University, Guwahati

Adv. Benudhar Nath - Chairman, Nath Yogi Development Council, Assam

Mr. Dhiren Nath - President, Assam Pradeshik Yogi Sanmilanee.

**President**

Dr. Arun Kr. Bora - Prof., Geological Science Dept., Cotton College, Guwahati (Rtd.)

**Vice-President**

Dr. Minaram Nath - Associate Prof. Botany Dept. Cotton College, Guwahati (Rtd.)

Mr. Traloikya Mohan Nath - Advisor, Nath Sahitya Sabha, Assam.

Mr. Prasanta Kr. Nath - Advisor, Assam Pradeshik Yogi Sanmilanee.

**Chief Editor**

Dr. Har Kumar Nath - Former Vice Principal, Dudhnoi College & President, Nath Sahitya Sabha, Assam.

**Editors**

Mr. Hiranya Kumar Nath - Subject Teacher, Assamese, Arya Vidyapith Higher Secondary School, Guwahati.

Dr. Ratul Pathak - Asst. Prof., Assamese Department, Manikpur Anchalik College, Manikpur, Bongaigaon.

Dr. Madhurjyya Mondit Baruah- Research Director, Krishnaguru Adhyatmik Visvavidyalaya, Nasatra, Barpeta, Assam.

**Members**

Dr. Bijay Sarma - Associate Prof., Dept. History, JDSG College, Bokakhat, Dist.-Golaghat

Dr. Sabitri Devi - Associate Prof. & HoD, Philosophy Dept. Cotton University

Dr. Pranita Mahanta - Asst. Prof., Assamese Dept., Bikali College, Dhupdhara, Goalpara, Assam.

Mr. Dipak Sarma - Journalist, Guwahati, Assam.

Dr. Bandana Kalita - Asst. Prof. Assamese Dept., Mahatma Gandhi College, Chalantapara, Bongaigaon, Assam.



**Cover & Composing**
**Printed at**
City Offset, Ananda Nagar, Pandu Port Rd. Guwahati-12

**Contribution : 200/-**


# সূচীপত্ৰ
# CONTENTS

বিষয় — পৃষ্ঠা/Page


- সম্পাদকীয়
- অসমীয়া নাৰী সমাজত প্ৰচলিত ভক্তিমূলক গীত, ... — 7
  *ড° বিজু বৰুৱা* ❐
- **Growth of population and urbanisation: ...** — 15
  *Dr. Jonali Nath* ❐
- গোৱালপৰীয়া নাথ যোগীসকলৰ সমাধি প্ৰথা — 23
  *বিনয় কুমাৰ নাথ* ❐
- ড° ভূপেন হাজৰিকাৰ গীতত প্ৰকৃতিৰ বৈচিত্ৰ্যময় ৰূপ ঃ এটি আলোচনা — 28
  *ড° বন্দনা কলিতা* ❐
- **Transformation of our domestic economy ...** — 35
  *Nilakshi Bhuyan* ❐
- মহাপুৰুষ শংকৰদেৱৰ "পাৰিজাত হৰণ" নাট ঃ এক চমু আলোকপাত — 46
  *ড° প্ৰণীতা মহন্ত* ❐
- ৰাম সৰস্বতীৰ ৰচনাত মহাপুৰুষীয়া চেতনা — 51
  *যোগেশ লহকৰ* ❐
- **An Analysis of Student Mental Health within Assam's School System** — 62
  *Deepshikha Bharadwaz* ❐
- ভূপেন হাজৰিকাৰ গীতত প্ৰতিবাদী সুৰঃ এটি সমীক্ষা — 70
  *ড° গোৱিন্দ প্ৰসাদ ভূঞা* ❐
- ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু সাহিত্যত নৈতিক শিক্ষাৰ প্ৰসঙ্গ... — 76
  *দীপক দাস* ❐
- বৈষ্ণৱ ধৰ্মত পৰমেশ্বৰ তত্ত্ব ঃ এটি আলোচনা — 82
  *ৰাজীৱ নাৰায়ণ কলিতা* ❐
- **Analyzing the Impact of Urbanization on Deepor Beel Using GIS and...** — 90
  *Mallika Rabha & Princi Gogoi* ❐
- অসমীয়া সাহিত্যলৈ চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত ... — 101
  *বিপুল ডেকা* ❐
- গৱেষণাৰ নতুন আলোকত কামৰূপী ভাষা-লিপিৰ *ইতিহাস-বীক্ষণ* — 108
  *ড° মাধুৰ্য্যমণ্ডিত বৰুৱা* ❐

101 - 107

# অসমীয়া সাহিত্যলৈ চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'প্ৰকাশ'ৰ অৱদান ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**বিপুল ডেকা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী

**সংক্ষিপ্তসাৰ ঃ**

আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত আলোচনীসমূহৰ বিশেষ ভূমিকা আছে। আনকি আলোচনীৰ নামেৰে অসমীয়া সাহিত্যৰ যুগবিভাজনো কৰা হৈছে। ১৮৪৬ চনত প্ৰকাশিত 'অৰুনোদই'ৰ যোগেদি এই ধাৰাৰ আৰম্ভ হয় আৰু পৰৱৰ্তী পৰ্যায়ত 'জোনাকী', 'আৱাহন', 'ৰামধেনু', 'প্ৰকাশ' আদি আলোচনীৰ যোগেদি এই ধাৰাই বিস্তাৰ লাভ কৰে। অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত 'বিজুলি', 'ঊষা', 'বাঁহী', 'জয়ন্তী', 'পছোৱা' আদি আলোচনীৰ গুৰুত্ব কম নাছিল যদিও এইবিলাকে এটা যুগৰ মৰ্যাদা পোৱা নাছিল। অসমীয়া সাহিত্যত যুগৰ মৰ্যাদা পোৱা আলোচনীকেইখনৰ প্ৰতিখনৰে লগত একোটা উদ্দেশ্যধৰ্মী কাৰক নিহিত হৈ আছিল। 'অৰুনোদই'ৰ প্ৰকাশৰ অন্তৰালত আছিল অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ তাড়ণা। আধুনিক সাহিত্যৰ, বিশেষকৈ ৰোমান্তিক ভাবধাৰাৰ প্ৰতিষ্ঠাৰ বাবে জন্ম হৈছিল 'জোনাকী'ৰ। বাংলা 'প্ৰতিবাসী' আলোচনীত কৰা অসমীয়া ভাষাৰ বিৰূপ আলোচনাৰ প্ৰত্যুত্তৰ দিবলৈ নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে উলিয়াইছিল 'আৱাহন'। আধুনিক অসমীয়া সাহিত্যত বিভিন্ন বাদ-বৈচিত্ৰ্যৰ প্ৰয়োগেই আছিল 'ৰামধেনু'ৰ মূল উদ্দেশ্য। আনপিনে এই সকলোবিলাক উদ্দেশ্যৰ পৰা আঁতৰি কেৱল সাহিত্যক সবলভাবে প্ৰতিষ্ঠাৰ বাবে 'প্ৰকাশ'ৰ জন্ম হৈছিল। আধুনিক সাহিত্যৰ সৰ্বাংগীন বিকাশত 'প্ৰকাশে যি ভূমিকা পালন কৰিছিল, তেনে ভূমিকা আন আলোচনীত দেখা নাযায়। এই প্ৰচেষ্টা সম্পাদকীয় পৃষ্ঠা 'দৃষ্টিকোণ'ত লক্ষ্য কৰা যায়। 'দৃষ্টিকোণ'ৰ উপৰিও 'চিঠিপত্ৰ-সমালোচনা', ধাৰাবাহিক উপন্যাস, গল্প, প্ৰবন্ধ, কবিতা, নাটক, অনুবাদ সাহিত্য, গ্ৰন্থ সমালোচনা, সাক্ষাৎকাৰ আদিৰে 'প্ৰকাশ' সমৃদ্ধ আছিল। ইয়াৰ উপৰি বিশেষ কবিতা সংখ্যা, বিশেষ গল্প সংখ্যা, জ্যোতিপ্ৰসাদ সংখ্যা, কৃষ্ণকান্ত সন্দিকৈ সংখ্যা, অৰুনোদই সংখ্যা, ৰূপালী জয়ন্তী সংখ্যা আদিত একোটা নিৰ্দিষ্ট দিশত গভীৰ আলোকপাত কৰা হৈছিল। মুঠৰ ওপৰত আধুনিক অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত 'প্ৰকাশে' বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

**বীজ শব্দ ঃ** প্ৰকাশ, আধুনিক, সাহিত্য, আলোচনী

**১.০০ অৱতৰণিকা ঃ**

'অৰুনোদই'ৰ পাতত আধুনিক অসমীয়া সাহিত্যই বিকাশ আৰু বিস্তাৰৰ পথত প্ৰথম খোজটি দিছিল। ইয়াৰ পৰৱৰ্তী সময়তো ঘাইকৈ আলোচনীৰ মাধ্যমত অসমীয়া সাহিত্যই বিকাশ আৰু বিস্তাৰৰ পথত আগবাঢ়িছিল। অসমীয়া সাহিত্যৰ এই যাত্ৰাত 'অৰুনোদই'ৰ লগতে 'জোনাকী', 'আৱাহন' আৰু 'ৰামধেনু'ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আলোচকসকলে এই আলোচনীকেইখনৰ নামেৰে অসমীয়া সাহিত্যৰ যুগ বিভাজনো কৰিছে। অসমীয়া ভাষা-সাহিত্যৰ ঐতিহ্য ৰক্ষা আৰু পুনৰ প্ৰতিষ্ঠাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল অসমীয়া আলোচনীসমূহে। আধুনিক অসমীয়া সাহিত্যৰ পৰীক্ষা নিৰীক্ষাও চলিছিল এই আলোচনীসমূহত। 'অৰুনোদই'ত আধুনিক অসমীয়া সাহিত্যৰ বীজ অংকুৰিত হৈছিল। 'অৰুনোদই' যদিও ঔপনিৱেশিকতাবাদী দৃষ্টিভংগীৰ পৰা সম্পূৰ্ণ মুক্ত নাছিল, তথাপি ইয়াত প্ৰকাশিত লেখাসমূহে ভৱিষ্যতৰ আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মান কৰিছিল। সেইফালৰ পৰা 'অৰুনোদই'ৰ ঐতিহাসিক গুৰুত্ব অধিক। 'জোনাকী' প্ৰকাশৰ বহু বছৰ আগতেই পাশ্চাত্যত ৰোমাণ্টিকতাই নিটোল ৰূপ পৰিগ্ৰহণ কৰিছিল। পাশ্চাত্যৰ ভাবজগতত আলোড়নৰ সৃষ্টি কৰা ৰোমাণ্টিকতা 'জোনাকী'ৰ মাধ্যমেদি অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। প্ৰবল জাতীয়তাবাদীচিন্তা আৰু প্ৰগতিশীল ধাৰাৰ বাহক আছিল 'আৱাহন'। 'আৱাহনে' অসমীয়াৰ মন মগজুত নৱ চিন্তাৰ উন্মেষ ঘটাই অসমীয়া সাহিত্যৰ গতিপথ সলনি কৰে। প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদে অসমীয়া সাহিত্যলৈ যি বৈভৱ আনি দিছিল সেয়া 'ৰামধেনু'ৰ অৱদান। পাশ্চাত্য সাহিত্যৰ বিভিন্ন বাদ-বৈচিত্ৰ্যৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা চলিছিল 'ৰামধেনু'ৰ পাতত। 'আৱাহন'ৰ অপেক্ষাত 'ৰামধেনু' অসমীয়া সাহিত্যৰ নতুন ধাৰা এটাৰ বাহক। অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ আলোচনাত উপৰিউক্ত আলোচনীকেইখনক একো একোটা যুগৰ ধাৰক আৰু বাহক হিচাপে দেখুওৱা হৈছে। এই আলোচনীকেইখনৰ উপৰি সমকালীন কেইবাখনো আলোচনীয়ে অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰত প্ৰভূত অৰিহণা আগবঢ়াইছিল। সেইবিলাকৰ ভিতৰত বাঁহী, জয়ন্তী, পছোৱা, বিজুলী, ঊষা, মৌ, আমাৰ প্ৰতিনিধি আদি উল্লেখযোগ্য। অসমীয়া সাহিত্যলৈ 'ৰামধেনু' পৰৱৰ্তী আলোচনীৰ অৱদানৰ আলোচনা তেনেই নগণ্য। এই সময়ছোৱাৰ গৱেষণামূলক আলোচনা সমূলি নাই। অধ্যয়নৰ পৰা দেখা গৈছে যে 'ৰামধেনু' পৰৱৰ্তীকালৰ 'প্ৰকাশ' আলোচনীয়ে প্ৰতিষ্ঠিত ধাৰাটোক ধৰি ৰখাৰ উপৰি নতুন বৈশিষ্ট্যৰে আধুনিক অসমীয়া সাহিত্যই বিকাশ আৰু বিস্তাৰৰ পথত আগবাঢ়িছিল। এই গৱেষণা কাৰ্য্যত বিশ্লেষণাত্মক অধ্যয়নেৰে 'প্ৰকাশ'ৰ অৱদান বিচাৰ কৰা হ'ব।

**২.০০ অধ্যয়নৰ পৰিসৰ ঃ**

১৯৭৫ চনৰ এপ্ৰিল মাহৰ পৰা ছপা কৰিব লোৱা 'প্ৰকাশ' আলোচনীখন প্ৰথমতে তিনিমহীয়াকৈ প্ৰকাশ হৈছিল। ১৯৭৭ চনৰ পৰা ই মাহেকীয়া ৰূপত ছপা হৈছিল। ১৯৯১ চনলৈ নিয়মীয়াকৈ ছপা হোৱা আলোচনীখন ২০০১ চনত সম্পূৰ্ণৰূপে বন্ধ হৈ যায়। ২০১২ চনত তেতিয়াৰ শিক্ষামন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মাৰ প্ৰচেষ্টাত ইয়াৰ পুনৰ প্ৰকাশ হয় আৰু বৰ্তমানলৈ চলি আছে। অসমীয়া সাহিত্যৰ আলোচনীৰ ইতিহাসত ইমান দীঘলীয়া সময়ৰ বাবে প্ৰকাশ হৈ থকা আলোচনীৰ সংখ্যা কম। দীঘলীয়া সময় ধৰি প্ৰকাশ হৈ থকা আলোচনীসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে এজন নিৰ্দিষ্ট সম্পাদকৰ সম্পাদনাতহে আলোচনীখন এটা নিৰ্দিষ্ট ধাৰাৰ বাহক হৈ উঠে। 'প্ৰকাশ'ৰ ক্ষেত্ৰতো এই কথাটো লক্ষ্য কৰা যায়। 'প্ৰকাশ'ৰ সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদনাত আলোচনীখনে এটা নতুন ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অধ্যয়নৰ পৰা এইটো জনা যায় যে *প্ৰকাশৰ* প্ৰথম দশকৰ সংখ্যাসমূহে অসমীয়া সাহিত্যৰ এটা নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। গতিকে চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত *প্ৰকাশৰ* প্ৰথম দহ বছৰৰ সংখ্যাসমূহৰ ভিতৰত অধ্যয়নৰ পৰিসৰ সীমিত কৰিব বিচৰা হৈছে।

**৩.০০ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

এই গৱেষণা কাৰ্য্যৰ লক্ষ্য পোন, অসমীয়া সাহিত্যলৈ 'ৰামধেনু' পৰৱৰ্তীকালৰ আলোচনীৰ অৱদান। ইয়াকে কৰিবলৈ যাওঁতে দেখা গৈছে যে এই ক্ষেত্ৰত 'প্ৰকাশ' আলোচনীৰ অৱদান বৈশিষ্টপূৰ্ণ। অসমীয়া সাহিত্যলৈ আলোচনীৰ অৱদানৰ





বিষয়ে বিস্তৃত আলোচনা হৈছে। ইতিমধ্যে এই বিষয়ত কেইবাখনো গৱেষণাগ্ৰন্থও বহুজনে প্ৰস্তুত কৰিছে। কিন্তু এই সকলোবোৰ আলোচনা 'ৰামধেনু' যুগতে সামৰণি মৰা হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে পৰিৱৰ্তন হয় সমাজৰ। সমাজৰ এই পৰিৱৰ্তনৰ সাঁচ পৰে সাহিত্যত। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। সেয়ে আধুনিক অসমীয়া সাহিত্যৰ শেষ সীমা 'ৰামধেনু' যুগ নহয়। 'ৰামধেনু' পৰৱৰ্তীকালৰ সাহিত্য আলোচনীৰ স্বৰূপ উদ্‌ঘাটন এই গৱেষণা কাৰ্য্যৰ মূল লক্ষ্য।

**৪.০০ সাহিত্যৰ পুনৰীক্ষণ ঃ**

অসমীয়া সাহিত্য আলোচনীৰ লগত সম্পৰ্কিত বিভিন্ন বিষয়ত ইতিমধ্যে কেইবাটাও গৱেষণা প্ৰকল্প সম্পন্ন হৈছে। 'ঊনবিংশ শতিকাৰ অৰুনোদই প্ৰভাৱমুক্ত গদ্যঃ এটি অধ্যয়ন' - দীপিকা দেৱী, 'ঊনবিংশ শতিকাৰ গদ্যৰ ধাৰা' - প্ৰমথেশ বায়ন, 'ঊনবিংশ শতিকাৰ অসমীয়া আলোচনী আৰু সংবাদপত্ৰ ঃ সমাজবীক্ষা আৰু ভাষাশৈলীৰ এক অধ্যয়ন' - স্বপ্নালী বড়া, 'ঊনবিংশ শতিকাৰ বাতৰি কাকত আলোচনীৰ প্ৰবন্ধ সাহিত্যঃ এক সমীক্ষাত্মক অধ্যয়ন' - তনয়জ্যোতি দুৱৰা, 'অৰুনোদই যুগৰ সাহিত্যত অসমীয়া সমাজ আৰু সংস্কৃতিঃ এটি অধ্যয়ন' - সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য, 'জোনাকী যুগৰ গল্পত লোক সাংস্কৃতিক উপাদানঃ এক বিশ্লেষণাত্মক অধ্যয়ন' - চন্দামীতা চক্ৰৱৰ্তী, 'আৱাহন যুগৰ গল্প লেখকৰ দৃষ্টিত নাৰীঃ এটি পৰ্য্যালোচনা' - নীৰদা মহন্ত, 'ৰামধেনু যুগৰ চুটিগল্পত সমাজ সংস্কৃতিৰ প্ৰতিফলনঃ এটি অধ্যয়ন' - হেমলতা দেৱী, 'ৰামধেনু যুগৰ গল্পত সমাজ বাস্তৱতাঃ এক সমীক্ষাত্মক অধ্যয়ন' - পংকজ কুমাৰ বৰা, এই গৱেষণা প্ৰকল্পসমূহত *ৰামধেনু* আৰু ইয়াৰ পূৰ্বৱৰ্তী বিশিষ্ট সাহিত্য আলোচনীসমূহৰ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে প্ৰণালীবদ্ধ আলোচনা আগবঢ়াইছে। লক্ষণীয়ভাৱে *ৰামধেনু* পৰৱৰ্তী সাহিত্যালোচনীৰ অৱদানৰ বিষয়ে এতিয়ালৈকে কোনোধৰণৰ গৱেষণা প্ৰকল্প সম্পাদন কৰা হোৱা নাই। ইয়াৰ অৰ্থ এইটো নহয় যে *ৰামধেনু* পৰৱৰ্তীকালত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ অসমীয়া সাহিত্য আলোচনী ওলোৱা নাই। এই ক্ষেত্ৰত পোনে পোনে আমি *প্ৰকাশৰ* নাম ল'ব পাৰোঁ।

**৫.০০ অধ্যয়নৰ প্ৰণালীঃ**

সমগ্ৰ গৱেষণা প্ৰকল্পটো বিশ্লেষণাত্মক পদ্ধতিৰে সমাপন কৰা হ'ব। নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত *প্ৰকাশৰ* সংখ্যাসমূহত প্ৰকাশিত লেখাসমূহৰ বিশ্লেষণ দাঙি ধৰি সিবোৰৰ অসমীয়া সাহিত্যলৈ কেনেকুৱা অৱদান আছে, তাক বিচাৰ কৰা হ'ব। কিছু ক্ষেত্ৰত তুলনামূলক অধ্যয়নৰ প্ৰয়োজনীয়তাও আহি পৰিব।

**৬.০০ পূৰ্বানুমান ঃ**

আধুনিক অসমীয়া সাহিত্যৰ গতি আৰু প্ৰকৃতি বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ বিকাশ আৰু বিস্তাৰত সাহিত্য আলোচনীসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই ভূমিকা সম্বন্ধে কিছু আলোচনা হৈছে যদিও সেয়া *ৰামধেনুতে* সীমিত হৈছে। সুক্ষ্ম অধ্যয়নত দেখা গৈছে যে মতাদৰ্শৰ ভৰ অঁতৰাই কেৱল সাহিত্যৰ বাবে সাহিত্য সৃষ্টিত *প্ৰকাশে* অধিক মনোনিৱেশ কৰিছিল। ইয়াৰ ফলশ্ৰুতিত *প্ৰকাশৰ* পাতত আধুনিক অসমীয়া সাহিত্যই অন্য এটা সুঁতিৰে আগবাঢ়িছিল। *প্ৰকাশৰ* প্ৰবন্ধ, গল্প, উপন্যাস, নাটক আদিত এই সুঁতিটোৰ পূৰ্ণ পয়োভৰ দেখা যায়। এই ফালৰ পৰা *প্ৰকাশকালীন* সাহিত্যই এটা যুগৰ মৰ্যাদা পোৱাৰ যোগ্য।

**৭.০০ মূল বিষয়ৰ আলোচনা ঃ**

**৭.০১. প্ৰকাশৰ সম্পাদকীয় ঃ**

প্ৰকাশ'ৰ সম্পাদকীয়ৰ নাম দিয়া হৈছিল 'দৃষ্টিকোণ'। বহুক্ষেত্ৰত 'প্ৰকাশ'ৰ সম্পাদকীয়াই নতুন চিন্তা চেতনাৰ উন্মেষ কৰোৱা দেখা যায়। অসমীয়া সাহিত্যৰ গতিপথ নিৰ্দেশ কৰিবলৈ কৰা বিৰামহীন প্ৰচেষ্টা 'প্ৰকাশ'ৰ সম্পাদকীয়ৰ এটা বৈশিষ্ট্য। "সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰত বিদেশী প্ৰভাৱৰ পৰা মুক্ত হৈ থকাটো সাহিত্যৰ মহত্তৰ বাবেই অপৰিহাৰ্য। অসমৰ জীৱন-মাটি পানীৰ প্ৰচণ্ড স্পৰ্শ নপৰিলে কোনো অসমীয়া ৰচনাই বৰণীয় নহ'ব - এটা মহৎ অসমীয়া গল্প উপযুক্তভাৱে অনুবাদ কৰিলে পৃথিৱীৰ যিকোনো ভাষাতেই সি মহৎ হোৱাৰ যোগ্যতা অৰ্জন কৰিব। ব্ৰহ্মপুত্ৰক কেন্দ্ৰমণি হিচাপে লৈ অসমীয়া যাযাত কোনো

এখন প্ৰখ্যাত উপন্যাস এতিয়ালৈকে সৃষ্টি নোহোৱাটো আমাৰ জাতীয় জীৱনৰ এক কলঙ্ক।" [১] ৫ম বছৰ ৯ম সংখ্যাৰ সম্পাদকীয় শিৰোনাম 'সাহিত্য আৰু সমস্যা'। সম্পাদকীয়টোত উল্লেখ কৰা হৈছে যে সমাজৰ সমস্যা সমাধানত সাহিত্যৰ বিশেষ মূল্য নাই। প্ৰাচ্য আৰু পাশ্চাত্যৰ মণীষী আৰু তেওঁলোকৰ সৃষ্টিৰাজিৰ উদাহৰণ দাঙি ধৰি এই কথাটো উপস্থাপন কৰা হৈছে। সম্পাদকীয়ত লিখা অনুসৰি বুদ্ধ, খ্ৰীষ্ট, মহম্মদ, অশোক, লুথাৰ, চিজাৰ, আলেকজেণ্ডাৰ, নেপোলিয়ন, হিটলাৰ, আইনষ্টাইন, মাৰ্কস, ফ্ৰয়েড আদিয়ে সৃষ্টি, ধ্বংস আৰু ধৰ্মৰ ক্ষেত্ৰত যিমান প্ৰভা ৱ বিস্তাৰ কৰিব পাৰিছে তাৰ তুলনাত হোমাৰ, শ্বেকচপীয়েৰ, মিল্টন, টলষ্টয় টমাচ মান, বালজাক, ৰবীন্দ্ৰনাথ আদিৰ সৃষ্টিৰ প্ৰভাৱ অতি সামান্য। এনেকুৱা অলেখ সম্পাদকীয় পৃষ্ঠাত সাহিত্য সম্পৰ্কীয় ব্যতিক্ৰমী চিন্তাৰ অৱতাৰণা কৰা হৈছে। 'প্ৰকাশ'ৰ সম্পাদকীয় পৃষ্ঠাবোৰ কেৱল কিতাপ আলোচনীৰ আলোচনাতে সীমাবদ্ধ নাছিল। ই সমাজৰ বিস্তৃত ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। কেৱল সমস্যাৰ কথন আৰু নিৰাশাৰ অন্ধকুপত সোমাই থকাৰ পৰিৱৰ্তে সম্পাদকীয় পৃষ্ঠাত দেখা যায় সমস্যাৰ আলোচনা আৰু সমাধানৰ উপায় অন্বেষণ। ষষ্ঠ বছৰ দশম সংখ্যাৰ দৃষ্টিকোণৰ 'সৰ্বগ্ৰাসী নিচা' শীৰ্ষ ক কথাখিনিয়ে অৱক্ষয়িত সমাজ, তাৰ মাজতো থকা আশাৰ বতৰা আৰু অৱক্ষয়ৰ পৰা মুক্তিৰ পথ অন্বেষণৰ বহল বাখ্যা দাঙি ধৰা হৈছে। একাধিক সম্পাদকীয়ৰ জৰিয়তে সাহিত্যৰ স্বৰূপ নিৰ্ণয়ৰ প্ৰচেষ্টা চলোৱা হৈছে। সাহিত্য আৰু বস্তুবাদী চিন্তাৰ মাজত থকা পাৰ্থক্য সহজ সৰল ভাষাত বুজাই দিয়া হৈছে। অষ্টম বছৰ দশম সংখ্যাত জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ওপৰত কৃষ্ণ আৰু শংকৰদেৱৰ প্ৰভাৱৰ বিষয়ে বহল ব্যাখ্যা আগবঢ়োৱা হৈছে।

**৭.০২ চিঠি-পত্ৰ-সমালোচনা ঃ**

এই শিতানটোৱে 'প্ৰকাশ'লৈ অভিনৱত্ব আনি দিছিল। পূৰ্বৰ সাহিত্য আলোচনীৰ চিঠি-পত্ৰ শিতানৰ তুলনাত 'প্ৰকাশ'ৰ এই শিতানটো আছিল ব্যতিক্ৰম। শিতানটোত 'প্ৰকাশ'ত প্ৰকাশিতবিভিন্ন লেখাৰ বিশেষকৈ প্ৰ বন্ধ-পাতিৰ তাত্ত্বিক আলোচনা সন্নিবিষ্ট হৈছিল। তৃতীয় বছৰ প্ৰথম সংখ্যাৰ পৰা 'প্ৰকাশ' মাহেকীয়া হিচাপে প্ৰকাশ পাবলৈ লয়। ইয়াৰ পূৰ্বৰ দুটা বছৰ ই তিনিমহীয়া আছিল। মাহেকীয়া 'প্ৰকাশ'ৰ প্ৰথম সংখ্যাৰ চিঠি-পত্ৰ-সমালোচনা শিতানৰ তলত এইবুলি লিখা আছিল - 'আমাৰ আলোচনীত প্ৰকাশযোগ্য , শিষ্টসন্মত চিঠি-পত্ৰ-সমালোচনা এই শিতানত প্ৰকাশ পাব। 'প্ৰকাশ'ত প্ৰকাশ হোৱা ৰচনাৰ ওপৰত পাঠকৰ মতামত প্ৰকাশ কৰিবলৈ পালে আমি কৃতাৰ্থ হ'ম- সম্পাদক ।' [২] তৃতীয় বছৰ প্ৰথম সংখ্যাত এই শিতানত মেদিনী চৌধুৰীৰ 'বণ্ডুকা-বেহাৰ'ৰ গ্ৰন্থৰ আলোচনা প্ৰসংগত গোবিন্দপ্ৰসাদ শৰ্মা আৰু নগেন শইকীয়াই কৰা আলোচনা তাৎপৰ্যপূৰ্ণ। 'চিঠি-পত্ৰ-সমালোচনা' শিতানত প্ৰকাশিত দুখন উল্লেখযোগ্য চিঠি হ'ল হেমচন্দ্ৰ বৰুৱাৰ প্ৰসঙ্গত বেণুধৰ শৰ্মা আৰু অতুলচন্দ্ৰ হাজৰিকাই লিখা চিঠি। অতুলচন্দ্ৰ হাজৰিকাৰ দুটা খণ্ডত প্ৰকাশিত চিঠিখন দৰাচলতে এটা বিশ্লেষণাত্মক প্ৰবন্ধ। চিঠি দুখন লিখা হৈছিল 'ঔপনিৱেশিক আমোলত অসমীয়া বুদ্ধিজীৱী ঃ হেমচন্দ্ৰ বৰুৱা' নামৰ ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে দুটা খণ্ডত লিখা এটা প্ৰবন্ধৰ আঁতধৰি। বেণুধৰ শৰ্মাই তীব্ৰ শ্লেষ বক্ৰোক্তিৰে ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীৰ কথা অগ্ৰাহ্য কৰিছে। অতুলচন্দ্ৰ হাজৰিকাই ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীয়ে কোৱা প্ৰতিটো কথা যথাযথ ব্যাখ্যা আগবঢ়াই নস্যাৎ কৰিছে। 'টলষ্টয়বাদ আৰু টলষ্টয়ৰ উপন্যাস' নামৰ প্ৰবন্ধ এটা 'প্ৰকাশ'ত প্ৰকাশ হৈছিল। লেখক আছিল নলিনীধৰ ভট্টাচাৰ্য। এই প্ৰবন্ধটোৰ আঁতধৰি 'প্ৰকাশ'ৰ ষষ্ঠ বছৰ প্ৰথম সংখ্যাত প্ৰদীপ খাটনিয়াৰে এখন চিঠি লিখিছিল। চিঠিখন প্ৰশংসাসূচক। ইয়াত কোনো বিতৰ্ক নাই। কিন্তু উক্ত প্ৰবন্ধৰ সমৰ্থনত প্ৰদীপ খাটনিয়াৰে লিখা চিঠিখনে টলষ্টয়বাদ আৰু টলষ্টয়ৰ উপন্যাস সম্বন্ধে ভট্টাচাৰ্যৰ প্ৰবন্ধত আলোচনা নোহোৱা বহু কথাৰ সম্ভেদ দিছে। 'কবিতা কবি আৰু পাঠক' এই নামৰ চিঠি এখন প্ৰকাশ পাইছিল 'প্ৰকাশ'ৰ ১৯৮২ চনৰ মে' মাহৰ সংখ্যাত। লেখক অনিল বৰা। চিঠিখনৰ অভিকেন্দ্ৰ চন্দ্ৰপ্ৰসাদ শইকীয়াই 'দৃষ্টিকোণ'ত লিখা 'কবিতাৰ ভাগ্য' আৰু নীলমণি ফুকনৰ লগত সম্পাদকৰ এটি সাক্ষাৎকাৰ। অনিল বৰাই বিভিন্নজন কবি আৰু পাঠকৰ প্ৰসঙ্গ টানি আনি কবিতাৰ ৰহস্যময়তা আৰু দুৰ্বোধ্যতাৰো যে কিছু প্ৰয়োজন আছে তাক সৰলভাবে পাঠকৰ আগত উপস্থাপন কৰিছে।





**৭.০৩ 'প্ৰকাশ'ৰ উপন্যাস ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটো সঞ্চালনিকৈ আগবঢ়াই নিয়াত 'প্ৰকাশ'ৰ ভূমিকা আটাইতকৈ উল্লেখযোগ্য। আলোচনীৰ মাধ্যমেৰে অসমীয়া উপন্যাস সাহিত্যক জনমুখী কৰি তোলাত 'প্ৰকাশে' এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। 'অৰুনোদই'ৰ পাতত অসমীয়া উপন্যাসৰ বীজৰ অংকুৰণ হৈছিল। 'এলোকেশী বেশ্যাৰ কথা', 'কামিনীকান্তৰ চৰিত্ৰ' আদি লেখাত উপন্যাসৰ উকমুকনি এটা দেখিবলৈ পোৱা যায়। কিন্তু পৰৱৰ্তী পৰ্যায়ত আলোচনীসমূহে ইয়াক বিকাশ আৰু বিস্তাৰৰ পথতআগবঢ়াই নিয়াত ব্যৰ্থ হয়। অসমীয়া আলোচনীসমূহত আধুনিক অসমীয়া সাহিত্যৰ যি শ্ৰীবৃদ্ধি হৈছিল সি মূলতঃ গল্প আৰু কবিতাতে সীমাবদ্ধ আছিল। 'ৰামধেনুৱে' অসমীয়া সাহিত্যত যুগৰ সৃষ্টি কৰিছিল বুলি কোৱা হয়। আধুনিক অসমীয়া সাহিত্যৰ বিকাশত 'ৰামধেনু'ৰ অৱদান অনস্বীকাৰ্য। কিন্তু অসমীয়া উপন্যাস সাহিত্যৰ বিকাশত 'ৰামধেনু'ৰ বিশেষ ভূমিকা নাই। 'ৰামধেনু'ৰ অন্যতম সম্পাদক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য নিজে এজন জ্ঞানপীঠ বঁটা প্ৰাপক ঔপন্যাসিক হোৱা সত্ত্বেও 'ৰামধেনু'ৱে অসমীয়া উপন্যাস সাহিত্যৰ বিস্তৃতিত অলপো বৰঙণি আগবঢ়াব নোৱাৰিলে। সুদীৰ্ঘ সময় ধৰি প্ৰকাশ হোৱা আৰু এক অভিজাত সাহিত্যগোষ্ঠী সৃষ্টি কৰিবলৈ সক্ষম হোৱা 'ৰামধেনু'ৰ পাতত এখনো উল্লেখযোগ্য অসমীয়া উপন্যাস প্ৰকাশ নোপোৱাটো পৰিতাপৰ বিষয়। আলোচনীৰ মাধ্যমেৰে অসমীয়া উপন্যাসক পঢুৱৈৰ মাজলৈ বিস্তৃতভাবে লৈ যোৱাৰ সৰ্বাত্মক প্ৰচেষ্টা আৰম্ভ হয় চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত প্ৰকাশ'ত। 'প্ৰকাশ'ত প্ৰকাশিত উপন্যাসসমূহৰ ভিতৰত নৱকান্ত বৰুৱাৰ 'গৰমা কুঁৱৰী', দেবেন্দ্ৰনাথ আচাৰ্যৰ 'জঙ্গম', বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'ফুলকোঁৱৰৰ পখীঘোঁৰা', ৰং বং তেৰাঙৰ 'ৰং মিলিৰ হাঁহি', আৰু মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উল্লেখযোগ্য। ইয়াৰ উপৰি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'প্ৰতিধ্বনি' নামৰ উপন্যাস এখনৰ কেবাটাও খণ্ড ওলাইছিল যদিও ই আধৰুৱা হৈ থাকে। 'গৰমা কুঁৱৰী' এখন ঐতিহাসিক উপন্যাস। অসমীয়া ঐতিহাসিক উপন্যাসৰ পৰম্পৰাত 'গৰমা কুঁৱৰী' এক অনবদ্য সৃষ্টি। ইয়াৰ আগলৈকে প্ৰকাশিত অসমীয়া ঐতিহাসিক উপন্যাসৰ লগত 'গৰমা কুঁৱৰী'ৰ কিছু পাৰ্থক্য পৰিলক্ষিত হয়। অপূৰ্ব ভাষাশৈলীৰ প্ৰয়োগ আৰু পৰিৱেশ সৃষ্টিত লেখকে অসামান্য দক্ষতাৰ পৰিচয় দিছে। 'গৰমা কুঁৱৰী'ত পাশ্চাত্য সাহিত্য আৰু ইতিহাসৰ এটা অনুপম চৰিত্ৰ ক্লিওপেট্ৰাৰ প্ৰভাব লক্ষ্য কৰা যায়। ষষ্ঠ বছৰ একাদশ সংখ্যাৰ পৰা প্ৰকাশ পোৱা মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' এখন উল্লেখযোগ্য উপন্যাস। খণ্ড খণ্ডকৈ প্ৰকাশ হোৱাৰ পিছৰে পৰা উপন্যাসখনে পাঠক আৰু সমালোচক উভয় শ্ৰেণীকে বিপুলভাবে আকৰ্ষিত কৰে। উপন্যাসখনৰ পটভূমি দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰ। ঐতিহ্যৰ অৱক্ষয়, সামাজিক কু-সংস্কাৰ, অৱদমিত ইচ্ছা অপৈনত বামপন্থী চিন্তা এই সকলোবিলাকৰ বিৰুদ্ধে এগৰাকী বিধবাৰ বিদ্ৰোহ উপন্যাসখনৰ মূল বিষয়। পাতনিত ঔপন্যাসিকাই লিখিছে — ' এই পৃথিৱীত মানুহে মানুহক মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব নোৱাৰাৰ এক মুক বেদনাৰ প্ৰতিধ্বনি অন্তঃসলিলাৰ দৰে উপন্যাসখনৰ মাজেৰে প্ৰৱাহিত কৰাৰ চেষ্টা কৰা হৈছে।'[৩] দেবেন্দ্ৰনাথ আচাৰ্যৰ বহু চৰ্চিত উপন্যাস 'জঙ্গম' 'প্ৰকাশ'ৰ তৃতীয় বছৰ প্ৰথম সংখ্যাৰ পৰা ধাৰাবাহিকভাবে প্ৰকাশ হৈছিল। ঠিক নায়ক বুলি ক'ব নোৱাৰিলেও উপন্যাসখনৰ কথাবস্তু কিছু পৰিমাণে ৰাম গোবিন্দক কেন্দ্ৰ কৰি আগবাঢ়িছে। ৰাম গোবিন্দই ভালদৰে নেজানে পিতৃয়ে ভাৰতবৰ্ষৰ কোন ঠাইৰপৰা আহি ইয়াত থিতাপি লৈছিল। মাক, ঘৈণীয়েক লচমী আৰু শিশু থানুক লৈ ৰাম গোবিন্দৰ পৰিয়াল। ৰাম গোবিন্দৰ লগত গুচেনপুঙ, বা-মাও আদি বাৰ্মাণমূলীয় গাওঁবাসীৰ মাজত হোৱা কথোপকথনবোৰে স্পষ্ট কৰি দিয়ে যে যুদ্ধ কেতিয়াও সাধাৰণ শ্ৰেণীটোৰ পৰা আৰম্ভ নহয়। 'প্ৰকাশ'ৰ ৪ৰ্থ বছৰ ৮ম সংখ্যা, মে' ১৯৭৯ সংখ্যাৰ পৰা ৰং বং তেৰাঙৰ 'ৰং মিলিৰ হাঁহি' ধাৰাবাহিকভাবে প্ৰকাশ হয়। 'ৰংমিলিৰ হাঁহি' কাৰ্বি জনজীৱনক লৈ ৰচিত এখন উল্লেখযোগ্য উপন্যাস। অসমীয়া জনজাতীয় জীৱন প্ৰবাহক লৈ অলপ সংখ্যক উপন্যাস ইতিমধ্যে প্ৰকাশ পাইছে যদিও, কাৰ্বি জীৱনক লৈ লিখা এইখন প্ৰথম উপন্যাস। উপন্যাসখনৰ নামটোত সাধাৰণ পাঠক সমাজে প্ৰথমতে উজুটি খায়। 'ৰংমিলি' নামটো কোনোবা ছোৱালীৰ নাম যেন লাগে যদিও ই এখন ঠাইৰ নাম। নামটোৱে উপন্যাসখনৰ বিষয়বস্তুৰ ইংগিত দিয়ে। ইয়াত ৰংমিলি নামৰ গাঁওখনৰ জৰিয়তে সহজ-সৰল আনন্দমুখৰ পৰিৱেশত কাৰ্বিসকলৰ জীৱন গাঁথা বৰ্ণিত হৈছে।

**৭.০৪ 'প্ৰকাশ'ৰ গল্প ঃ**

প্ৰকাশৰ প্ৰথম দহ বছৰত প্ৰকাশিত গল্পসমূহৰ ভিতৰত স্নেহ দেৱীৰ 'এটি বিশেষ ৰাতি', শীলভদ্ৰৰ 'অন্বেষণ', 'ভগ্নমূৰ্তি', 'প্ৰতীক্ষা', হোমেন বৰগোহাঞিৰ 'গৰখীয়া', চৈয়দ আব্দুল মালিকৰ 'স্ত্ৰী কাপোৰ', 'বেয়া টকা', 'ধেমালি', 'নাটক নহয়', লক্ষ্মীনন্দন বৰাৰ 'অধঃক্ৰম', পদ্ম বৰকটকীৰ 'ঔষধ', নিৰুপমা বৰগোহাঞিৰ 'নালন্দা বিশ্ববিদ্যালয়ৰ ছাত্ৰ', মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ', নগেন শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ', যোগেশ দাসৰ 'কাকা আৰু যুৱৰাজ', 'যন্ত্ৰণা', মহিম বৰাৰ 'ভাবী জোঁৱাই', অতুলানন্দ গোস্বামীৰ 'পুলকেশ বৰুৱা', অপূৰ্ব শৰ্মাৰ 'অসামাজিক', ইমৰাণ শাহৰ 'মধুধন', 'অৰবাহিকা', 'পুখাগু' সৌৰভ কুমাৰ চলিহাৰ 'ঘৰমুৱা', কৃষ্ণ ভূঞাৰ 'ভাল মানুহ', বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঊৰ্দ্ধদৈহিক ক্ৰিয়া', মেদিনী চৌধুৰীৰ 'মণিৰাম পাটৰ কেনি গ'ল', ভবেন্দ্ৰনাথ শইকীয়াৰ 'তৰুলতা', চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'উপসংহাৰ', অৰূপা পটঙীয়া কলিতাৰ 'বৰষুণ', কমলা বৰগোহাঞিৰ 'অপত্য স্নেহ', কৌস্তুভমণি শইকীয়াৰ 'অখ্যাত খ্যাতি বা উদং গাৰ মানুহজন', জীতেন শৰ্মাৰ 'স্বীকাৰোক্তি', 'বৃত্তৰ বাহিৰলৈ', দেৱব্ৰত দাসৰ 'তুলাচনীত তাগিদা এটা' আদি উল্লেখযোগ্য। 'প্ৰকাশ' আলোচনীত নতুন আৰু পুৰণি গল্পকাৰসকলৰ সমাহাৰ ঘটিছিল। অৱশ্যে পুৰণি গল্পকাৰসকলে নিয়মীয়াকৈ প্ৰকাশত গল্প লিখা নাছিল। তৎসত্বেও বিশেষ সংখ্যা প্ৰকাশ কৰি 'প্ৰকাশে' দুই শ্ৰেণীৰ গল্পকাৰৰ গল্প প্ৰকাশ কৰিছিল। 'প্ৰকাশ'ত প্ৰকাশিত চুটিগল্পসমূহ লক্ষ্য কৰিলে দেখা যায় যে যদিও গল্পকাৰ সকলে এই সময়ছোৱাত অসমীয়া গল্প সাহিত্যলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিব পৰা নাই তথাপি নবীন লেখকসকলে এটা নতুন পথৰ সন্ধান কৰা পৰিলক্ষিত হয়।

**৭.০৫ 'প্ৰকাশ'ৰ কবিতা ঃ**

প্ৰকাশ'ৰ পাতত কবিতা লিখি সমকালীন সমাজত প্ৰতিষ্ঠা লাভ কৰা কবিসকল আছিল ক্ৰমে অৰ্চনা পূজাৰী, আহিদু জামান, উত্তম কুমাৰ বৰুৱা, কৰবী ডেকা হাজৰিকা, কিশোৰ ভট্টাচাৰ্য, খনিন দাস, দিলীপ তালুকদাৰ, নৰেণ তালুকদাৰ, পুতুল চন্দ্ৰ শৰ্মা, বিদ্যুৎ বিকাশ ভূঞা, বিপুলজ্যোতি শইকীয়া, মেঘালী ফুকন, মনোজ বৰপূজাৰী, ৰাজেন্দ্ৰনাথ বৰদলৈ, ৰফিকুল হোচেইন, ৰাজু বৰুৱা, ৰোহিনী কুমাৰ পাঠক, ৰবীন চন্দ্ৰ শৰ্মা, লীলাৱতী বৰা শইকীয়া, শঙ্কৰ শইকীয়া, সনন্ত তাঁতি, সুভাষ সাহা, হিতেশ বিকাশ গগৈ, পুলিন শৰ্মা, মনজিৎ সিং, সমীৰ তাঁতী, সমীন্দ্ৰ হুজুৰি, দীনেশ বৈশ্য, দিলীপ কুমাৰ ফুকন, জ্ঞান পূজাৰী, পুতুল হাজৰিকা, ৰবীন্দ্ৰ সৰকাৰ ইত্যাদি। ইয়াৰ উপৰি 'ৰামধেণু' বা তাৰ সমকালীন সময়ত প্ৰতিষ্ঠা লাভ কৰা ভালেকেইগৰাকী কবিয়ে 'প্ৰকাশ'ৰ পাতত নিয়মীয়াকৈ কবিতা প্ৰকাশ কৰিছিল। তেখেত সকলৰ ভিতৰত নলিনীধৰ ভট্টাচাৰ্য, নীলমণি ফুকন, মহেন্দ্ৰ বৰা, হৰেকৃষ্ণ ডেকা, মহেশ্বৰ নেওগ, আনিছ উজ্ জামান, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, চৈয়দ আব্দুল হালিম, নবকান্ত বৰুৱা, ৰবীন্দ্ৰ বৰা, আনন্দ চন্দ্ৰ বৰুৱা, বীৰেশ্বৰ বৰুৱা, হীৰেণ ভট্টাচাৰ্য, ইদ্ৰিচ আলী, অজিৎ বৰুৱা, শক্তি চট্টোপাধ্যায়, প্ৰবীণা শইকীয়া আদি উল্লেখযোগ্য। 'জয়ন্তী' আৰু 'পছোৱা'ই আদৰি অনা নতুন কাব্যধাৰাৰ 'ৰামধেণুৱে' অধিক গতিশীল কৰিছিল। 'ৰামধেনু'ৰ পাছত ইয়াৰ দায়িত্ব লৈছিল প্ৰকাশে। 'ৰামধেনু'ৰ কিছু সংখ্যক কবিয়ে 'প্ৰকাশ'তো কবিতাৰ চৰ্চা অব্যাহত ৰাখে। তেখেতসকলৰ উপৰিও এচাম নতুন কবিয়ে 'প্ৰকাশ'ৰ পাতত আত্মপ্ৰকাশ কৰে।

**৭.০৬ 'প্ৰকাশ'ৰ প্ৰবন্ধ ঃ**

প্ৰবন্ধৰ ক্ষেত্ৰত 'প্ৰকাশ' আলোচনীয়ে এক জোৱাৰ আনিছিল বুলি ক'লেও ভুল নহয়। সাহিত্য সমালোচনা, দৰ্শন, ইতিহাস, বিজ্ঞান, কলা সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি কোনোখন ক্ষেত্ৰ 'প্ৰকাশ'ৰ প্ৰবন্ধত বাদ পৰা নাছিল। প্ৰবন্ধ লেখকসকলৰ বেছি সংখ্যৰ প্ৰতিষ্ঠিত লেখক হোৱাৰ বিপৰীতে ভালেসংখ্যক নবীন লেখকেও গভীৰ তত্ত্বদৰ্শী প্ৰবন্ধ ৰচনা কৰিছিল। 'প্ৰকাশ'ত নবীন প্ৰবীণ সকলোৱে প্ৰবন্ধ-পাতি লিখিছিল। প্ৰবন্ধ শিতানলৈ গুৰুত্বপূৰ্ণ প্ৰবন্ধ আগবঢ়োৱা কেইজনমান লেখক হ'ল— মহেশ্বৰ নেওগ, গোবিন্দ প্ৰসাদ শৰ্মা, সত্যপ্ৰসাদ বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, শিৱনাথ বৰ্মন, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, লীলা গগৈ, ইমদাদ উল্লাহ, ভৱপ্ৰসাদ চলিহা, ৰজনীকান্ত দেৱশৰ্মা, ভোলানাথ দাস, শশী শৰ্মা, হোমেন বৰগোহাঞি, মহেন্দ্ৰ বৰা, সৌৰভ কুমাৰ চলিহা, হেমন্ত মিশ্ৰ, যোগেশ দাস, হীৰেণ গোহাঁই, অজিৎ বৰুৱা, লক্ষ্মীনন্দন বৰা, অতুলচন্দ্ৰ





হাজৰিকা, যজ্ঞেশ্বৰ শৰ্মা, প্ৰসন্নলাল চৌধুৰী, বেণুধৰ শৰ্মা, শিৱ খাটনিয়াৰ, দ্বিজেন্দ্ৰ নাথ শৰ্মা, শৈলেন ভৰালী, ৰঞ্জিৎকুমাৰ দেৱগোস্বামী, অক্ষয় কুমাৰ মিশ্ৰ, নগেন শইকীয়া, পোনা মহন্ত, সতীশচন্দ্ৰ কাকতি, মেদিনী চৌধুৰী ইত্যাদি। অসমৰ আৰ্থ-সামাজিক বিষয়, সাহিত্য-সংস্কৃতি, বিজ্ঞান আদি সকলো বিষয়ৰ প্ৰবন্ধ 'প্ৰকাশ'ত প্ৰকাশিত হৈছিল। অৱশ্যে ৰাজনৈতিক বিষয়ৰ লেখা ইয়াত প্ৰকাশ পোৱা নাছিল। চৰকাৰী অনুষ্ঠান এটাৰ জৰিয়তে প্ৰকাশিত আলোচনী হোৱা বাবে 'প্ৰকাশ'ত ৰাজনৈতিক বিষয়ৰ প্ৰবন্ধ প্ৰকাশ পোৱা নাছিল। প্ৰবন্ধবোৰ প্ৰকাশ হোৱাৰ পিছত পৰৱৰ্তী সংখ্যাত ইয়াৰ আলোচনা প্ৰকাশ পাইছিল।

**উপসংহাৰ ঃ**

ওপৰৰ আলোচনাৰ পৰা আমি নিম্ন উল্লেখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰিব পাৰোঁ—

১) 'ৰামধেনু'ৰ পিছত 'প্ৰকাশ' আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যক গতি প্ৰদান কৰিছিল।

২) 'ৰামধেনু'ত প্ৰায় এলাগী হৈ পৰা উপন্যাস সাহিত্যক 'প্ৰকাশে' গতি প্ৰদান কৰিছিল।

৪) কেৱল সাহিত্যৰ বাবে সাহিত্যৰ সৃষ্টিত 'প্ৰকাশে' গুৰুত্ব আৰোপ কৰিছিল।

৫) 'আৱাহন' যুগৰ পৰৱৰ্তী যুগটোক 'ৰামধেনু আৰু প্ৰকাশৰ যুগ' বুলি অভিহিত কৰিব পাৰি।

**অন্ত্যটীকা ঃ**

১. প্ৰকাশ, তৃতীয় বছৰ প্ৰথম সংখ্যা, ১৯৭৭, পৃষ্ঠা ৬

২. প্ৰকাশ. তৃতীয় বছৰ প্ৰথম সংখ্যা, ১৯৭৭, পৃষ্ঠা ৪

৩) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, ৭ম প্ৰকাশ, ২০১০, পৃষ্ঠা ৬

**গ্ৰন্থপঞ্জী ঃ**


১। বৰগোহাঞি, হোমেন (সম্পা.) ঃ *ৰামধেনু*, (৫ম, ৬ষ্ঠ, ৭ম বৰ্ষ), বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০০৯

২। বৰগোহাঞি, হোমেন (সম্পা.) ঃ *ৰামধেনু*, (৮ম, ৯ম, ১০ম বৰ্ষ), বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ ২০০৯

৩। মজুমদাৰ, পৰমানন্দ (সম্পা.) ঃ *আৱাহন*, ১ম বৰ্ষ, (১৯৩০ চনৰ এপ্ৰিলৰ পৰা ১৯৩০ চনৰ চেপ্তেম্বৰলৈ), অসম প্ৰকাশন পৰিষদ ১৯১৫

৪। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) ঃ *প্ৰকাশ*, (৩য় বছৰৰ পৰা ১১শ বছৰলৈ), গুৱাহাটী


□□